**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-11-2025 TIME-1340 HRS.

***Assamese Midday Bulletin***
***HEADLINES***

০০০০০০

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ বাৰাণসী ৰে'ল ষ্টেচনৰ পৰা পতাকা জোকাৰি ৪ খন নতুন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰে।

২। ৰাজ্যত কাৰিকৰী শিক্ষাৰ দিশত যুগান্তকাৰী ব্যৱস্থা হিচাপে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে গুৱাহাটীৰ লাচিত ঘাটত কাইলৈ আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে বিজেপিৰ প্ৰবীণ নেতা লাল কৃষ্ণ আদৱানীক তেওঁৰ ৯৮ সংখ্যক জন্ম দিন উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰে।

আৰু

৫। ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে গাববাত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ বাৰাণসী ৰে'ল ষ্টেচনৰ পৰা পতাকা জোকাৰি ৪ খন নতুন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে কয় যে বন্দে ভাৰত, নমো ভাৰত আৰু অমৃত ভাৰতৰ দৰে ৰে'লগাড়ীসমূহে ভাৰতীয় ৰে'লৱেৰ পৰৱৰ্তী প্ৰজন্মৰ ভেঁটি স্থাপন কৰিছে। প্ৰতিগৰাকী ভাৰতীয় বন্দে ভাৰত ৰে'লগাড়ীক লৈ গৌৰৱান্বিত বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। তেওঁ কয় যে এই ৰে'লগাড়ী ভাৰতীয়ৰ বাবে, ভাৰতীয়ৰ দ্বাৰা নিৰ্মাণ কৰা হৈছে। শ্ৰীমোদীয়ে কয় যে ৪ খন নতুন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰাম্ভণিৰে দেশত চলিথকা এনে ৰে'লগাড়ীৰ সংখ্যাই ১৬০ অতিক্ৰম কৰিলে। বিশ্বৰ উন্নত দেশসমূহত আন্তঃগাথনিৰ উন্নয়নে তেওঁলোকৰ অৰ্থনৈতিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে ্মন্তব্য কৰে। তেওঁ কয় যে পথ আৰু ৰে'ল সুবিধাৰ উন্নয়নে বিকাশৰ সূচনা কৰে। ভাৰত সম্প্ৰতি উন্নয়নৰ পথত ক্ষীপ্ৰতাৰে ধাৱমান হৈছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে উত্তৰ প্ৰদেশৰ উন্নয়নে পৰ্যটনৰ নতুন নতুন সুযোগ সৃষ্টি কৰিছে। বাব বিশ্বনাথ ধাম আৰু আযোধ্যাৰ ৰাম মন্দিৰৰ নিৰ্মাণৰ পাছৰে পৰা মন্দিৰ দৰ্শনৰ বাবে অহা ভক্তৰ বৰ্ধিত সংখ্যাৰ বাবে উত্তৰ প্ৰদেশত সমৃদ্ধিৰ নতুন দুৱাৰ মুকলি কৰিছে বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। তেওঁ কয় যে সম্প্ৰতি কাশীতো আন্তঃগাথনিৰ উন্নয়নৰ কাম ক্ষীপ্ৰতাৰে চলি আছে। নতুন হোটেল আৰু চিকিৎসালয়ৰ নিৰ্মাণে ৰাজ্যখনৰ সমৃদ্ধিৰ শ্ৰীবৃদ্ধি কৰিছে। মহামানা কৰ্কতৰোগ চিকিৎসালয় আৰু শংকৰ নেত্ৰালয়

লেখীয়া চিকিৎসালয়সমূহ ৰোগীসকলৰ বাবে আৰ্শীবাদস্বৰূপ পৰিছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে সম্প্ৰতি কাশীৰ গোটেই অঞ্চলটো স্বাস্থ্য ৰাজধানী হিচাপে পৰিগণিত হৈছে। কাশীৰ স্কুলীয়া শিক্ষাৰ্থীসকলক প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁলোকৰ মাজত অপাৰ প্ৰতিভা লুকাই আছে। তেওঁ লগতে বাৰাণসী ষ্টেচনত স্কুলীয়া শিক্ষাৰ্থীসকলক সাক্ষাৎ কৰিবলৈ পাই আনন্দ প্ৰকাশ কৰে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ, কেন্দ্ৰীয় ৰে'ল তথা তথ্য আৰু প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱো অনুষ্ঠান উপস্থিত থাকে।

oooooo

ৰাজ্যত কাৰিকৰী শিক্ষাৰ দিশত যুগান্তকাৰী ব্যৱস্থা হিচাপে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। ৪১৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বিশ্ববিদ্যালয়খন প্ৰযুক্তি আধাৰিত বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় হ'ব। ৭৩১ বিঘা ভূমিত নিৰ্মাণ কৰিবলৈ লোৱা বিশ্ববিদ্যালয়খনত দুহেজাৰ গৰাকী শিক্ষাৰ্থীৰ বাবে শৈক্ষিক ভৱন, এহেজাৰ ৬২০ গৰাকী শিক্ষাৰ্থীৰ বাবে হোষ্টেল, ৭২ টা আবাসিক ভৱন, অতিথিশালা তথা শিক্ষাৰ্থীৰ সা-সুবিধা কেন্দ্ৰ থাকিব। বিশ্ববিদ্যালয়খনত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, চাইবাৰ সুৰক্ষা, কোৱাণ্টাম কম্পিউটিং, এনিমেচন আৰু গ্ৰাফিক্‌ছ, ড্ৰোণ আৰু নেভিগেচন প্ৰযুক্তি, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ব। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত আৰু গহপুৰৰ বিধায়ক উৎপল বৰা উপস্থিত থাকে। ইয়াৰ পূৰ্বে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে গুৱাহাটীৰ খানাপাৰাত নিৰ্মীয়মান জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ পৰিদৰ্শন কৰে। ৫ হাজাৰ আসনযুক্ত প্ৰেক্ষাগৃহটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে ই পূব ভাৰতৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব।

oooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে গুৱাহাটীৰ লাচিত ঘাটত কাইলৈ আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানৰ অংশ হিচাপে দুপৰীয়া চাৰে ১২ বজাৰ পৰা দিনৰ দুই বজালৈ এয়াৰ শ্ব'
অৰ্থাৎ যুদ্ধ বিমানৰ উৰণ কৌশল প্ৰদৰ্শন কৰা হ'ব। কেন্দ্ৰীয়ভাৱে আয়োজিত এই এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদি ৭৫ খন বিমানে ভাগ ল'ব। এই এয়াৰ শ্ব' উপভোগৰ বাবে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধাশ্ৰমৰ আবাসীসকলক আমন্ত্ৰণ জনোৱা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ সতী ৰাধিকা উদ্যানৰ পৰা ইচ্ছুক ব্যক্তিসকলে ফ্লাইং শ্ব' চাব পাৰিব। জনসাধাৰণে সুবিধা অনুযায়ী গুৱাহাটীৰ নিজৰ ঘৰৰ পৰাও এই শ্ব'টো উপভোগ কৰিব পাৰিব। মহানগৰীৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব' চোৱাৰ ব্যৱস্থা কৰা হৈছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে বিজেপিৰ প্ৰবীণ নেতা লাল কৃষ্ণ আদৱানীক তেওঁৰ ৯৮ সংখ্যক জন্ম দিন উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে আদৱানীৰ সু-স্বাস্থ্য আৰু দীৰ্ঘজীৱন কামনা কৰে। প্ৰধানমনন্ত্ৰীয়ে আদৱানীক দেশৰ প্ৰগতিৰ বাবে জীৱন উৎসৰ্গা কৰা এগৰাকী ভৱিষ্যদৰ্শী আৰু বিচক্ষণ নেতা বুলি অভিহিত কৰে। তেওঁ কয় যে শ্ৰী আদৱানীয়ে নিস্বাৰ্থ কৰ্তব্য আৰু দৃঢ় সিদ্ধান্তৰ আদৰ্শ অনুসৰণ কৰি আহিছে। শ্ৰী আদৱানীৰ অৱদানে ভাৰতবৰ্ষৰ গণতান্ত্ৰিক আৰু সাংস্কৃতিক প্ৰেক্ষাপটত মচিব

নোৱাৰা চাপ পেলাইছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। উপৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে বিচক্ষণ নেতা আৰু দেশৰ গণতান্ত্ৰিক যাত্ৰাৰ পথ প্ৰদৰ্শক শক্তি হিচাপে শ্ৰীআদৱানিক প্ৰশংসা কৰে। তেওঁ কয় যে শ্ৰীআদৱানীয়ে ৰাষ্ট্ৰৰ প্ৰগতি, একতা আৰু সাংস্কৃতিক সমন্বয়ৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছে। বৰ্ণিল কৰ্মজীৱনত শ্ৰীআদৱানিয়ে ভৱিষ্যদৰ্শী নেতৃত্ব আৰু ৰাজহুৱা সেৱাৰ প্ৰতি গভীৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ পৰিচয় দিয়া বুলি উপৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। শ্ৰীৰাধাকৃষ্ণমে কয় যে তেওঁৰ অৱদানে ভাৰতৰ ৰাজনৈতিক, সামাজিক আৰু সাস্কৃতিক প্ৰেক্ষাপটক আকাৰ দিছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উত্তৰাখণ্ডৰ ৰাজ্য গঠনৰ ৰূপালী জয়ন্তী উপলক্ষে আযোজিত এটা অনুষ্ঠান অংশগ্ৰহণ কৰাৰ উদ্দেশে কাইলৈ ডেৰাডুণলৈ যাব। ভ্ৰমমকালত প্ৰধানমনন্তৰীয়ে এটা স্মাৰক ডাক টিকট মুকলি কৰিব আৰু এখন সমাবেশত ভাষণ দিব। শ্ৰীমোদীয়ে লগতে ৯৩০ কোটিৰো অধিক ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব আৰু ৭ হাজাৰ ২০০ কোটিৰো অধিক টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া এলানি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহ খোৱা পানী যোগান, জল সিঞ্চন, কাৰিকৰী শিক্ষা, শক্তি, নগৰ উন্নয়ন, ক্ৰীড়া আৰু দক্ষতা বিকাশৰ সৈতে জৰিত। ভ্ৰমনকালত শ্ৰীমোদীযে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত ২৮ হাজাৰৰো অধিক কৃষকৰ বেংক অকাউণ্টলৈ ৬২ কোটি টকাৰ হস্তান্তৰ কৰিব।

oooooo

ছত্তিছগড়ৰ গাৰিয়াবন্দ জিলাত ৭জন মাওবাদী বিদ্ৰোহীয়ে আত্মসমৰ্পণ কৰিছে। তেওঁলোকে ৰায়পুৰৰ আৰক্ষী মহাপৰিদৰ্শকক অস্ত্ৰ জমা দি আত্মসমৰ্পণ কৰে। মাওবাদী বিদ্ৰোহী কেইজনৰ বাবে মুঠ ৩৭ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছিল।

oooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি ব্ৰীছবেনৰ গাববাত অনুষ্ঠিত হৈছে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰিছে। ভাৰতে যোৱা বৃহস্পতিবাৰে কুইন্সলেণ্ডত অনুষ্ঠিত চতুৰ্থখন খেলত অষ্ট্ৰেলিয়াক ৪৮ ৰানত পৰাস্ত কৰি শৃংখলাটোত ২-১ৰ অগ্ৰগতি লাভ কৰে। সূৰ্য কুমাৰ যাদৱৰ নেতৃত্বত ভাৰতীয় দলটোৱে শৃংখলাটো দখলৰ বাবে আজি আপ্ৰাণ চেষ্টা চলাব। ইপিনে ভাৰতৰ বেগী বলাৰ জছপ্ৰীত বুমৰাহ ইতিহাস ৰচনাৰ বাবে মাত্ৰ এটা উইকেটৰ প্ৰয়োজন। আজিৰ খেলখনত এটা উইকেট লাভ কৰিলেই বুমৰাহ টি-২০ আন্তঃৰাষ্ট্ৰীয় খেলত ১০০টা উইকেট লাভ কৰা দ্বিতীয়গৰাকী ভাৰতীয় হিচাপে বিবেচিত হ’ব।

ooooooo